**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰতক ২০২৬ ৰ পৰা ২০২৮ চনলৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ তিনিবছৰীয়া কাৰ্যকালৰ বাবে পুনৰ বিনা প্ৰতিদ্বন্দ্বীতাৰে নিৰ্বাচিত কৰা হৈছে।

২। উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীত ১৮ ৰ পৰা ২১ অক্টোবৰলৈ ফটকাৰ বিক্ৰি আৰু ফুটোৱাৰ অনুমতি প্ৰদান কৰিছে।

৩। ৰসায়ন আৰু পেট্ৰেকেমিকেল ক্ষেত্ৰত ভাৰত আৰু চৌদি আৰবৰ মাজত দ্বিপাক্ষিক সহযোগিতা অদিক সুদৃঢ় কৰাৰ বাবে কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ মন্ত্ৰালয়ে আজি দেশখনৰ খনিজ মন্ত্ৰালয়ৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৪। সমগ্ৰ ৰাষ্ট্ৰই ড০ এ পি জে আব্দুল কালামৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

আৰু

৫। ইংলেণ্ডে ২০২৫ বৰ্ষৰ ফিফা বিশ্ব কাপ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

ভাৰতক ২০২৬ ৰ পৰা ২০২৮ চনলৈ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ তিনিবছৰীয়া কাৰ্যকালৰ বাবে বিনা প্ৰতিদ্বন্দ্বীতাৰে নিৰ্বাচিত কৰা হৈছে। এইবাৰকে ধৰি ভাৰত সপ্তমবাৰৰ বাবে বিনা প্ৰতিদ্বন্দ্বীতাৰে নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই কালি ভাৰতে মানৱ অধিকাৰ পৰিষদলৈ নিৰ্বাচিত হোৱাৰ পাছত স্থায়ী প্ৰতিনিধি পি হৰিশে কয় যে এই নিৰ্বাচনে মানৱ অধিকাৰ আৰু মৌলিক অধিকাৰৰ প্ৰতি ভাৰতৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচায়। শ্ৰী হৰিশে সামাজিক মাধ্যমযোগে কয়, যে ভাৰতে নিজৰ কাৰ্যকালত এই উদ্দেশ্যৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাব। তেওঁ লগতে ভাৰতলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰতিনিধিবৰ্গক ধন্যবাদ জ্ঞাপন কৰে। ৪৭ জনীয়া মানৱ অধিকাৰ পৰিষদ ৰাষ্ট্ৰসংঘৰ এটা অন্যতম নিকায়। এই নিকায়টোৱে বিশ্বত মানৱ অধিকাৰৰ সংৰক্ষণৰ হকে কাম কৰে। সাধাৰণ সভাই ২০০৬ চনত এই পৰিষদ গঠন কৰিছিল। সেই সময়ত ভাৰত প্ৰথমটো কাৰ্যকালৰ বাবে নিৰ্বাচিত হৈছিল।

০০০০০০

উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীত ১৮ ৰ পৰা ২১ অক্টোবৰলৈ ফটকাৰ বিক্ৰি আৰু ফুটোৱাৰ অনুমতি প্ৰদান কৰিছে। ইয়াৰ বাবে পুৱা ৬-৭ বজাৰ পৰা নিশা ৮-১০ বজালৈ সময় ধাৰ্য কৰা হৈছে।

সৰ্বোচ্চ ন্যায়ালয়ে ইয়াক উৎসৱ উদযাপন আৰু পৰিবেশ সংৰক্ষণৰ মাজত সন্তোলিত দৃষ্টিভংগী বুলি অভিহিত কৰিছে। মুখ্য ন্যায়াধীশ ভূষণ আৰ গৱাই আৰু ন্যায়াধীশ কে বিনোদ চন্দ্রনক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে এই ৰায় প্রদুষণ নিয়ন্ত্রণৰ প্রচেষ্টাৰ সৈতে নিয়ন্ত্রিত সকাহৰ মূল্যায়ণৰ বাবে লোৱা এটা অস্থায়ী ব্যৱস্থা। ন্যায়ালয়ে লগতে কেন্দ্রীয় প্রদূষণ নিয়ন্ত্রণ পৰিষদ আৰু ৰাজ্যিক পৰিষদসমূহক এই সময়ছোৱাত বায়ু আৰু পানীৰ মান নিৰীক্ষণ কৰিবলৈ আৰু ফটকা ফুটোৱাৰ ফলত বায়ু মণ্ডলৰ ওপৰত পৰা প্রভাৱৰ বিষয়ে ১৪-২১ অক্টোবৰৰ ভিতৰত এখন প্রতিবেদন দাখিল কৰিবলৈ নির্দেশ দিয়ে। বিচাৰপীঠখনে অস্থায়ী ব্যৱস্থা হিচাপে বৃষ্টিত পৰিকাঠামোৰ প্রস্তুত কৰিছে। ন্যায়ালয়ে কৈছে যে আটচবাজী কেৱল নির্দিষ্ট বিক্রী স্থানতহে বিক্রী কৰিব পাৰিব আৰু তহলদাৰী দলসমূহে নিয়মীয়াভাৱে নির্মানকাৰী প্রতিষ্ঠান পৰীক্ষা কৰিব লাগিব।

oooooo

ৰসায়ন আৰু পেট্রেকেমিকেল ক্ষেত্রত ভাৰত আৰু চৌদি আৰবৰ মাজত দ্বিপাক্ষিক সহযোগিতা অদিক সুদৃঢ় কৰাৰ বাবে কেন্দ্রীয় ৰসায়ন আৰু সাৰ মন্ত্র্যালয়ে আজি দেশখনৰ খনিজ মন্ত্র্যালয়ৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। চৌদি আৰবৰ উদ্যোগ আৰু খনিজ দপ্তৰৰ উপমন্ত্রী খলিল বীন ইব্রাহীম বীন চালামা আৰু কেন্দ্রীয় ৰসায়ন আৰু পেট্রেকেমিকেল দপ্তৰৰ সচিব  বৈঠকত নিবেদিতা চুক্লা বাৰ্মাই বৈঠকত গুৰি ধৰে। বৈঠকত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি, বিনিয়োগৰ প্রসাৰ আৰু ৰসায়ন আৰু পেট্রেকেমিকেল ক্ষেত্রতত সমন্বয়ৰ নতুন ক্ষেত্রৰ অন্বেষণক লৈ আলোচনা কৰা হয়। ৰসায়ন আৰু সাৰ মন্ত্র্যালয়ে এটা বিবৃতিযোগে কৈছে যে দুয়োখন দেশে গৱেষণা আৰু উন্নয়নৰ লগতে পেট্রেকেমিকেল খণ্ডক দক্ষতা বিকাশৰ ক্ষেত্রত সহযোগিতা কৰিবলৈ সন্মতি প্রকাশ কৰিছে।

oooooo

প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিঙে প্রাক্তন সৈনিকৰ কল্যানৰ বাবে প্রতিৰক্ষা বিভাগে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ অধীনত প্রাক্তন সৈনিক আৰু তেওঁলোকৰ ওপৰত নির্ভৰশীলসকলৰ বাবে বিত্তীয় সাহায্য ১০০ শতাংশ বৃদ্ধিৰ প্রস্তাৱত অনুমোদন জনাইছে। এই অনুসৰি প্রতিগৰাকী হিতাধিকাৰীক প্রদান কৰা মাহিলী অনুদান ৪ হাজাৰ টকাৰ পৰা ৮ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত বয়োজ্যেষ্ঠ আৰু পেঞ্চনৰ সুবিধা নথকা প্রাক্তন সৈনিক আৰু তেওঁলোকৰ অবর্তমানত তেনে সৈনিকৰ ৬৫ বছৰৰ উৰ্ধৰ পত্নীক নিয়মীয়া আয়েৰে জীৱনজোৰা সহায় আগবঢ়োৱা পথ প্রসস্ত হ'ব। মন্ত্র্যালয়ে কৈছে যে প্রাক্তন সৈনিকৰ ওপৰত নির্ভৰশীল দুটাকৈ শিশুৰ  বাবে প্রতিটো শিশুৰ বাবদ প্রদান কৰা মাহিলী সিক্ষা অনুদানৰ ধনক এহেজাৰ টকাৰ পৰা দুহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। বিবাহ অনুদানক ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ বঢ়োৱা হৈছে। মন্ত্র্যালয়ে কৈছে যে পহিলা নৱেম্বৰৰ পৰা দাখিল কৰা আবেদনৰ বাবে এই সংশোধিত দৰ প্রযোজ্য হ'ব আৰু ইয়াৰ বাবে বছৰি প্রায় ২৫৭ কোটি টকা ব্যয় হ'ব।

oooooo

নির্বাচন আয়োগে বিহাৰৰ আসন্ন বিধানসভা নির্বাচনত ধনবলৰ ব্যৱহাৰ ৰোধ কৰিবলৈ বিধি বলবৎকাৰী সংস্থাসমূহলৈ নীতি নির্দেশনা জাৰি কৰিছে। আয়োগে ৰাজ্যিক আৰক্ষী, ৰাজ্যিক আবকাৰী বিভাগ, আয়কৰ বিভাগ, ৰাজহ চোৰাংচোৱা সঞ্চালকালয়, সীমা শুল্ক আৰু বিধি বলবৎকাৰী সঞ্চালকালয়কে ধৰি সকলো আইন বলবৎকাৰী সংস্থালৈ এই সন্দৰ্ভত নির্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ৬ অক্টোবৰ

নিৰ্বাচনৰ দিন ঘোষণা কৰা পাছৰে পৰা বিধি বলবৎকাৰী সঞ্চালকালয়ে প্ৰায় ৩৪ কোটি টকা, সুৰা, মাদকদ্ৰব্য আৰু উপঢৌকন জব্দ কৰিছে।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই ড০ এ পি জে আব্দুল কালামৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এই উপলক্ষে উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্ন সন্মানেৰে বিভূষিত প্ৰখ্যাৎ বিজ্ঞানী আৰু প্ৰক্তন ৰাষ্ট্ৰপতিগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড০ কালামক ভৱিষ্যদৰ্শী বিজ্ঞানী, প্ৰেৰণাদায়ক নেতা আৰু প্ৰকৃত দেশপ্ৰেমীক বুলি অভিহিত কৰে। তেওঁ কয় যে বিনম্ৰতা, করুণা আৰু শিক্ষাৰ্থীৰ সৈতে নিয়মীয়া বাৰ্তালাপে তেওঁ বিভিন্ন প্ৰজন্মৰ মাজত প্ৰিয় নেতা কৰি তুলিছিল। কালামে নিজৰ শব্দ আৰু কামেৰে যুৱ প্ৰজন্মক বৃহৎ চিন্তা কৰিবলৈ আৰু কঠোৰ পৰিশ্ৰম কৰিবলৈ প্ৰেৰণা যোগাইছিল বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে প্ৰতিৰক্ষা, বিজ্ঞান আৰু যুৱ সৱলীকৰণৰ ক্ষেত্ৰত তেওঁৰ প্ৰচেষ্টাই ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ যাত্ৰাত গতি প্ৰদান কৰিছে। ড০ কালামৰ দৃষ্টিভংগীয়ে প্ৰতিগৰাকী ভাৰতীয়ক কিবা এটা নতুন কৰিবলৈ আৰু মৰ্যদাসহকাৰে জীয়াই থাকিবলৈ প্ৰেৰণা যোগাই আহিছে বুলি উপৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোধীয়ে তেওঁৰ বাৰ্তাত কয় যে ড০ কালাম এগৰাকী দূৰদৰ্শী ব্যক্তি আছিল আৰু তেওঁ যুৱক-যুৱতী আৰু দেশক ডাঙৰ সপোন দেখিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁৰ জীৱনে জনসাধাৰণক সফলতাৰ বাবে যে বিনম্ৰতা আৰু কঠোৰ পৰিশ্ৰম জৰুৰী সেই বিষয়ে সোঁৱৰাই দিয়ে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁ ড০ কালামৰ সপোনৰ শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ বাবে কাম কৰি যাব।

০০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত এছিয়াৰ সৰ্ববৃহৎ আৰু বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ ৰে'ল প্ৰদশনী যোড়শ আন্তঃৰাষ্ট্ৰীয় ৰে'ল আহিলা-পাতি প্ৰদশনী-২০২৫ মুকলি কৰে। এই প্ৰদশনীত ১৫ খনৰো অধিক দেশৰ প্ৰায় চাৰে ৪০০ প্ৰদৰ্শনকাৰীয়ে অত্যাধুনিক ৰে'ল আৰু মেট্ৰ' সামগ্ৰী উদ্ভাৱন আৰু স্থায়ী সমাধান সুত্ৰ প্ৰদৰ্শন কৰিছে। এই উপলক্ষে শ্ৰীবৈষ্ণৱে কয় যে বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰে'লৱেৰ আধুনিকীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে ৰে'লৱে সম্প্ৰতি দ্ৰুত আধুনিকীকৰণত বছৰি ২ লাখ ৫৬ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। এই সময়ছোৱাত প্ৰায় ৩৫ হাজাৰ কিলোমিটাৰ ৰে'ল পথ নিৰ্মাণ কৰা হৈছে আৰু ৪৬ হাজাৰ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৰপ্তানিৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে ৰে'লৱেৰ উত্থান ঘটিছে আৰু শেহতীয়াকৈ ভাৰতে আফ্ৰিকালৈ ৰে'ল ইঞ্জিল ৰপ্তানি কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দলৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিব। **মোৰ বুথ সবাতোকৈ শক্তিশালী** শীৰ্যক প্ৰচাৰৰ অধীনত প্ৰধানমন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীৰ সৈতে মত বিনিময় কৰিব।

বিজেপি দলে কালি বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৭১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি, উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে তাৰাপুৰ আৰু উপ-মুখ্যমন্ত্ৰী বিজয় সিনহাই লখীচৰাই আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০০

লাটভিয়াৰ ৰিগাত আজি অনুষ্ঠিত এখন কোৱালিফায়াৰ খেলত ঘৰুৱা দলটোৰ বিৰুদ্ধে ৫–০ গলত জয়লাভ কৰি ইংলেণ্ডে ২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপত অংশগ্ৰহণ কৰাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইংলেণ্ড দলৰ অধিনায়ক হেৰী কে'নে খেলৰ বিৰতিৰ পূৰ্বেই দুটা গ'লেৰে দলটোৰ বিজয়ৰ পথ প্ৰশস্ত কৰে। ইয়াৰ আগেয়ে এন্থনী গৰ্ডনে খেলৰ ২৬ মিনিটত প্ৰথমটো গ'লেৰে দলটোক অগ্ৰগতি প্ৰদান কৰে। খেলৰ ৫৮ মিনিটত লাটভিয়াৰ খেলুৱৈয়ে দুৰ্ভাগ্যজনকভাৱে এটা আত্মঘাতী গ'ল দিয়াৰ পাছত অতিৰিক্ত খেলুৱৈ এবেৰেছি এ'জে পঞ্চমটো গ'ল দিয়ে।

বৰ্তমানলৈ খেলা ছখন খেলৰ কেউখনতেই জয়লাভৰ জৰিয়তে ইংলেণ্ড দলে ১৮ পইন্টেৰে গ্ৰুপ 'কে'ত শীৰ্ষস্থান অধিকাৰ কৰিছে। দলটো বৰ্তমানলৈ দুখন খেল খেলিবলৈ বাকী থকা এলবানিয়াৰ তুলনাত ৭ পইন্টত আগবাঢ়ি আছে। প্ৰতিযোগিতাৰ আন তিনিখন খেলত ছাৰ্বিয়াই এণ্ডোৰাৰ বিৰুদ্ধে ৩–১ গ'লত, ইটালীয়ে ইজৰাইলৰ বিৰুদ্ধে ৩–০ গ'লত আৰু স্পেইনে বুলগেৰিয়াৰ বিৰুদ্ধে ৪–০ গ'লত জয়লাভ কৰে। পৰ্টুগাল আৰু হাংগেৰীৰ মাজত অনুষ্ঠিত এখন খেল ২–২ গ'লত অমীমাংসিতভাৱে সমাপ্ত হয়।

০০০০০০